# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 14-12-2024
**Time :** 18-00 Hrs

***Assamese Evening Bulletin***
***::::::::::::::::::::::::::::::***

ৰাজ্য চৰকাৰৰ বিকাশৰ ১২ দিন কাৰ্যসূচীৰ অংশস্বৰূপে কেইবাখনো জিলাত বিভিন্ন উন্নয়নমূলক কাৰ্যসূচীৰ লগতে  কেইবাখনো আঁচনিৰ সাহায্য তথা অনুদান বিতৰণ কৰা হয়। মুখ্য মন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই গোলাঘাট জিলাত উপস্থিত থাকি অসম মাইক্ৰ'ফাইনেন্স উদগণি আৰু সকাহ আঁচনিৰ অধীনত তৃতীয় বৰ্গৰ ৫ হাজাৰ ১১৯ গৰাকী ঋণগ্ৰস্তক ঋণ ৰেহাই প্ৰমাণ পত্ৰ বিতৰণ কৰে। একেটা অনুষ্ঠানতে প্ৰধানমন্ত্ৰী ক্ষুদ্ৰ খাদ্য সংসাধন উদ্যোগ আঁচনিৰ অধীনত ১৮৯ গৰাকীলৈ মূলধনী বিনিয়োগৰ ৰাজ সাহায্য প্ৰদান কৰে। মুখ্য মন্ত্ৰীগৰাকীয়ে দুৰ্যোগত ক্ষতিগ্ৰস্ত ২ হেজাৰ ১১ টা পৰিয়াললৈ আৰ্থিক সাহায্য প্ৰদান কৰে। গোলাঘাটৰ সাহায্য বিতৰণী অনুষ্ঠানৰ লগতে এখন জনসভাত ভাগ লৈ মুখ্য মন্ত্ৰী শৰ্মাই পূৰ্বৰ চৰকাৰৰ নিযুক্তিৰ বিপৰীতে এতিয়া চৰকাৰৰ দিনত অসম লোকসভা আয়োগৰ পৰীক্ষা আৰু অন্যান্য নিযুক্তিসমূহ সম্পূৰ্ণৰূপে স্বচ্ছ আৰু নিকা হোৱা বুলি মন্তব্য কৰে।

গোলাঘাটৰ অনুষ্ঠানত মুখ্য মন্ত্ৰীৰ লগতে মন্ত্ৰী অতুল বৰা আৰু অজন্তা নেওগেও অংশগ্ৰহণ কৰে। ডঃ শৰ্মাই গোলাঘাটত নিৰ্মীয়মান গোলাঘাট চিকিৎসা মহাবিদ্যালয় আৰু জিলা আয়ুক্ত কাৰ্যালয়ো পৰিদৰ্শন কৰে। গোলাঘাটৰ বগৰিজেঙত নিৰ্মাণ হৈ থকা চিকিৎসালয় মহাবিদ্যালয়খন পৰিদৰ্শন কৰি মুখ্য মন্ত্ৰীয়ে ২০২৫ চনত কাম সম্পূৰ্ণ হ'ব বুলি কয়। লগতে ২০২৬ চনৰ পৰা চিকিৎসা মহাবিদ্যালয়ত চিকিৎসা সেৱাৰ পাঠ্যক্ৰম আৰম্ভ কৰিব পৰা হ্ব বুলি প্ৰকাশ কৰে। মুখ্য মন্ত্ৰীয়ে প্ৰকাশ কৰা অনুসৰি ৮৫২ কোটি টকা ব্যয়েৰে নিৰ্মাণ সম্পূৰ্ণ  কৰিবলগীয়া মহাবিদ্যালয়খনৰ ইতিমধ্যে ৫২ শতাংশ কাম সম্পূৰ্ণ হৈছে।

বিকাশৰ ১২ দিন কাৰ্যসূচীৰ অধীনত তিনিচুকীয়াৰ বৰগুৰিত থকা ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ খেলপথাৰত আয়োজিত অনুষ্ঠানত ৰাজ্যৰ শ্ৰম তথা চাহ শ্ৰমিক কল্যাণ বিভাগৰ মন্ত্ৰী ৰূপেশ গোৱালাই অংশগ্ৰহণ কৰে। এই অনুষ্ঠানতে তিনিচুকীয়া জিলাৰ  ৬০৪ গৰাকী শিক্ষাৰ্থীক আনন্দৰাম বৰুৱা বঁটা হিচাপে নগদ ১২ হাজাৰ ৫০০ টকা আৰু এহেজাৰ ৭৪২ জন শিক্ষাৰ্থীক বাণীকান্ত কাকতি মেধা বঁটা হিচাপে স্কুটি প্ৰদান কৰা হয়। এই অনুষ্ঠানতে নৱম শ্ৰেণীৰ শিক্ষাৰ্থীসকলৰ মাজত মুখ্য মন্ত্ৰীৰ বিশেষ আঁচনিৰ অধীনত চাইকেল বিতৰণ কাৰ্যসূচী আনুষ্ঠানিকভাৱে আৰম্ভ কৰা হয়। ইপিনে, মৰিগাঁও জিলাৰ তৰুণৰাম ফুকন খেলপথাৰত আয়োজিত বিকাশৰ ১২ দিন কাৰ্যসূচীত মুখ্য অতিথি হিচাপে মন্ত্ৰী কেশৱ মহন্তই অংশগ্ৰহণ কৰে। এই অনুষ্ঠানতে ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ উদ্যোগত প্ৰাকৃতিক দুৰ্যোগত ক্ষতিগ্ৰস্ত মৰিগাওঁ জিলাৰ ৩২ হাজাৰ ৬৪৪ টা পৰিয়ালক এককালীন সাহায্য প্ৰদান কৰা হয়। একেদৰে উদ্যোগ আৰু বাণিজ্য বিভাগৰ উদ্যোগত প্ৰধানমন্ত্ৰী ক্ষুদ্ৰ খাদ্য  প্ৰসংস্কৰণৰ উদ্যোগত প্ৰাৰম্ভিক আৰু মূলধন বিতৰণ আঁচনিৰ অন্তৰ্গত ৯৫ টা আত্মসহায়ক গোটক আৰ্থিক সাহায্য প্ৰদান কৰা হয়। একেটা অনুষ্ঠানতে

বিত্ত বিভাগৰ উদ্যোগত মাইক্ৰ'ফাইনেন্স ঋণ ৰেহাই আঁচনিৰ জৰিয়তে জিলাখনৰ ৩ হাজাৰ ৯২৫ গৰাকী মহিলাক ঋণ ৰেহাই প্ৰমাণ পত্ৰ দিয়া হয়।

০০০০

ৰাজ্য চৰকাৰৰ খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ অধীনত কাইলৈ নতুন বিধানসভা সমষ্টি ভিত্তিত আনুষ্ঠানিকভাৱে নতুন ৰেচন কাৰ্ড বিতৰণৰ প্ৰথম পৰ্যায়ৰ কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। কামৰূপ মহানগৰৰ দুটা বিধানসভা সমষ্টিৰ বাবে সৰুসজাই ষ্টেডিয়ামত এই উপলক্ষে আয়োজিত কাৰ্যসূচীত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ লগতে মন্ত্ৰী কৌশিক ৰায় উপস্থিত থাকিব। খাদ্য সুৰক্ষা নিশ্চিতকৰণৰ লক্ষ্যৰে প্ৰদান কৰা এই নতুন ৰেচন কাৰ্ডসমূহৰ জৰিয়তে জনসাধাৰণে বিভিন্ন ধৰণৰ সুবিধা লাভ কৰিব। সেই অনুসৰি অন্ত্যোদয়া অন্ন যোজনাৰ ৰেচন কাৰ্ডপ্ৰাপ্ত পৰিয়ালে প্ৰতি মাহে ৩৫ কিলোগ্ৰামকৈ আৰু প্ৰতিটো অগ্ৰাধিকাৰপ্ৰাপ্ত ৰেচন কাৰ্ড থকা পৰিয়ালৰ প্ৰতিগৰাকী সদস্যই মাহিলি ৫ কিলোগ্ৰামকৈ বিনামূলীয়া চাউল লাভ কৰিব। একেদৰে বৰ্তমান ৰন্ধন গেছৰ সংযোগ নথকা ৰেচন কাৰ্ড প্ৰাপ্ত পৰিয়ালে প্ৰধানমন্ত্ৰী উজ্জ্বলা যোজনাৰ অধীনত বিনামূলীয়া ৰন্ধন গেছৰ সংযোগ লাভ কৰিব। তদুপৰি এনে সুবিধাপ্ৰাপ্ত লোকসকলে প্ৰধানমন্ত্ৰী জনআৰোগ্য যোজনা আৰু আয়ুষ্মান অসম মুখ্যমন্ত্ৰী জন আৰোগ্য যোজনাৰ অধীনত বছৰি ৫ লাখ টকা পৰ্যন্ত বিনামূলীয়া চিকিৎসা সেৱাৰ সুবিধা লাভ কৰিব।

০০০০

সদৌ অসম ছাত্ৰ সন্থা, অসম উন্নতি সভা আৰু অসম সেনাই আজি অম্বিকাগিৰি ৰায় চৌধুৰী স্মাৰক বঁটা প্ৰাপকৰ নাম ঘোষণা কৰিছে। জাতীয় সংগঠন তিনিটাই দৰং জিলাৰ মঙলদৈৰ সুনন্দৰাম ডেকা গোষ্ঠীৰ মুকুল ডেকা, ৰাজীৱ ডেকা আৰু অনুপম ডেকাক এইবাৰৰ অম্বিকাগিৰি ৰায় চৌধুৰী স্মাৰক বঁটা প্ৰদানৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। অম্বিকাগিৰি ৰায় চৌধুৰীৰ জন্মদিন ১৮ ডিচেম্বৰত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ প্ৰাঙ্গনত মাধৱদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত তিনিওগৰাকীকে এই বঁটা প্ৰদান কৰা হ'ব। উদ্যমিতাৰ ক্ষেত্ৰখনত বিশেষ প্ৰদৰ্শনেৰে নিজৰ লগতে অনেকক সংস্থাপনৰ বাট দেখুৱাই নতুন প্ৰজন্মক অনুপ্ৰাণিত কৰাৰ বাবে সুনন্দৰাম ডেকা গোষ্ঠীৰ সদস্যকেইগৰাকীক এই বঁটা প্ৰদান কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে।

০০০০

অৰুণাচল প্ৰদেশৰ নাহৰলগুনৰ এখন বিদ্যালয়ত আজি পানীৰ টেংকি ফাটি যোৱাৰ ফলত তিনিজন ছাত্ৰৰ মৃত্যু হোৱাৰ লগতে দুজন ছাত্ৰ গুৰুতৰভাৱে আহত হয়। নাহৰলগুনৰ আৰক্ষী অধীক্ষক মিহিন গাম্বোৱে জনোৱা মতে আজি পুৱাৰ ভাগত এই দুৰ্ঘটনা সংঘটিত হয়। ঘটনা সংক্ৰান্তত আৰক্ষীয়ে বিদ্যালয়খনৰ প্ৰধান শিক্ষক আৰু চাৰিজন কৰ্মচাৰীকে ধৰি আন দুজন লোকক আটক কৰিছে।

০০০০

লখিমপুৰ জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত লখিমপুৰ বাণিজ্য মহাবিদ্যালয় খেলপথাৰত আজিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে সপ্তম বাৰ্ষিক লখিমপুৰ আন্তঃজিলা এথলেটিক্স চেম্পিয়নশ্বিপ অনুষ্ঠিত হৈছে। ১৪ ৰ পৰা ২০ বছৰ উৰ্ধৰ আৰু অনুৰ্ধৰ দুয়োটা শাখাতে অনুষ্ঠিত হোৱা বিভিন্ন শাখাৰ খেলত জিলাখনৰ দুশৰো অধিক খেলুৱৈয়ে অংশগ্ৰহণ কৰিছে।

০০০০

শিৱসাগৰ জিলাৰ কে পি চাৰিআলি নিবাসী, ফুলেশ্বৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ প্ৰণৱ বৰুৱাৰ আজি পুৱা নিজা বাসগৃহত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৫৯ বছৰ। হৃদৰোগজনিত কাৰণত মৃত্যু হোৱা শিক্ষকগৰাকীৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰিছে।

০০০০

সমাপ্ত